মঙলদৈ মহাবিদ্যালয়

# ৰাজ্যৰ শ্ৰেষ্ঠ ইক' ক্লাব বঁটা লাভ

প্ৰতিদিন বিশেষ সংবাদ, মঙলদৈ, ৫ জুন ঃ পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত আগবঢ়োৱা বিশিষ্ট অৱদানৰ বাবে অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদে আজি মঙলদৈ মহাবিদ্যালয়ক ৰাজ্যৰ শ্ৰেষ্ঠ ইক' ক্লাব বঁটা প্ৰদান কৰে। মঙলদৈ মহাবিদ্যালয়ৰ ইক' ক্লাবৰ সমন্বয়ক ড° দেৱাশ্ৰী কাকতি আৰু মহাবিদ্যালয়ৰ ছাত্ৰী সুস্মিতা চহৰীয়াই মহাবিদ্যালয় পৰিয়ালৰ হৈ আজি গুৱাহাটীৰ পশ্চিম বড়াগাঁওস্থিত বিজ্ঞান আৰু প্ৰযুক্তিৰ উচ্চ অধ্যয়ন প্ৰতিষ্ঠানত আয়োজিত বিশ্ব পৰিবেশ দিৱসৰ অনুষ্ঠানত এই বঁটা বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ মন্ত্ৰী কেশৱ মহন্তৰ হাতৰ পৰা গ্ৰহণ কৰে। এই অনুষ্ঠানত অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিবেশ পৰিষদৰ অধীক্ষক ড° জয়দীপ বৰুৱা, বিজ্ঞানী ড° বিনয় শইকীয়া আৰু অধ্যাপক আশিস কে মুখাৰ্জী উপস্থিত থাকে। উল্লেখ্য যে অসমত চলি থকা ৩,৫০০তকৈ অধিক ইক' ক্লাবৰ মাজৰ পৰা মঙলদৈ মহাবিদ্যালয়ে পৰিবেশ সচেতনতা, সংৰক্ষণ আৰু সক্ৰিয় সামাজিক অংশগ্ৰহণৰ ক্ষেত্ৰত নিজৰ ইক' ক্লাবৰ জৰিয়তে দৰ্শোৱা অতুলনীয় প্ৰচেষ্টাৰ বাবে এই স্বীকৃতি লাভ কৰে। এই স্বীকৃতিয়ে মঙলদৈ মহাবিদ্যালয়ক আৰু এখোজ আগুৱাই লৈ যোৱা বুলি আলোচিত হৈছে। মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰাই এই গৌৰৱৰ মুহূৰ্তত মহাবিদ্যালয় পৰিয়ালক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে।